# প্ৰথম অধ্যায়

## ১.০১ ভাষাৰ উৎপত্তি

ভাষা মানৱ সংস্কৃতিৰ এটা প্ৰধান উপাদান আৰু ই সংস্কৃতিৰো ভেঁটি স্বৰূপ। মানুহ যিহেতু সামাজিক প্ৰাণী আৰু প্ৰতিজন ব্যক্তিয়ে ইজনে সিজনৰ লগত মনৰ ভাৱ বিনিময় কৰিব লগা হয় মানুহে তাৰ বাবে বিভিন্ন উপায় অৱলম্বন কৰে। তাৰ ভিতৰত সহজ আৰু প্ৰধান উপায় হ'ল ভাষা। ভাষা মানুহৰ ভাৱ আৰু অনুভূতিৰ প্ৰকাশৰ এটা প্ৰধান উপায়। মানুহৰ বাক্ শক্তিৰ বাহিৰেও আৰু এটা শক্তি নিহিত হৈ আছে সেইটো হ'ল ভবা শক্তি। ভাৱ নহ'লে ভাষা নোলায় আৰু ভাষা নহ'লে ভাৱ প্ৰকাশ কৰিব নোৱাৰি। ভাষা মানুহৰ ভাৱ বিনিময়ৰ আটাইতকৈ বলিষ্ঠ মাধ্যম।

ভাষা শব্দটো সংস্কৃত 'ভাষ্' ধাতুৰ পৰা নিষ্পন্ন যাৰ অৰ্থ হ'ল ব্যক্তবাণী। ব্যক্তবাণীৰ অৰ্থ হ'ল স্পষ্ট আৰু পূৰ্ণ অভিব্যঞ্জনা। গতিকে ভাষা শব্দৰ প্ৰয়োগ মানুহৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ভাৱ প্ৰকাশৰ আন মাধ্যমৰ ক্ষেত্ৰত নহয়। ভাৱ বিনিময় আকৌ তিনিটা উপাদানৰ ওপৰত নিৰ্ভৰশীল। এটা হৈছে বাৰ্তা, আনটো প্ৰেৰক আৰু আন এটা গ্ৰাহক। প্ৰেৰক আৰু গ্ৰাহক দুয়োটাই দুয়োজনেই যে মানুহ তাত সন্দেহ নাই। কাৰণ মানুহৰ বাহিৰে অন্য প্ৰাণীয়ে ভাষাৰ মাধ্যমত কাৰ্য নিৰ্বাহ নকৰে। ভাষাৰ ক্ষেত্ৰত নিৰ্দিষ্ট প্ৰেৰক বা নিৰ্দিষ্ট গ্ৰাহক নাই। কাৰণ দুয়োজনেই কেতিয়াবা প্ৰেৰক কেতিয়াবা গ্ৰাহক হয়। কিন্তু বাৰ্তাহে আচল দিশ। বাৰ্তা হ'ল ভাৱৰ বাঙ্ময় প্ৰকাশ। ভাৱৰ সৃষ্টি হয় মগজুত। সেইবাবে ভাষা সৃষ্টিৰ বাবে মন, বুদ্ধি, বায়ু, চেতনা আদিৰ প্ৰয়োজন বুলি কোৱা হয়। অচেতন বস্তুৰ মন বা বুদ্ধি নাই চেতন প্ৰাণীৰহে আছে। আকৌ

এইবোৰ সকলো জীৱজন্তুৰে থাকিলেও ভাষা নাথাকিব পাৰে। ভাষা সম্পৰ্কে বিভিন্নজনে বিভিন্ন সংজ্ঞা দিছে। যেনে -

ক) "A language is a system of arbtitrary vocal symbols by which members of a social group co-operate and interact"

খ) ভাষা হ'ল যাদৃচ্ছিক বাক্‌ধ্বনি প্ৰতীকৰ এটা পদ্ধতি যাৰ এটা, জনসমষ্টিয়ে সহযোগিতা কৰে আৰু পাৰস্পৰিক কাৰ্য চলায়।) ষ্টৰ্ট ভেন্ট

গ) "বক্তা বাচি বৰ্ণা যেযাংত ইনে ব্যক্তবাচঃ"

ঘ) মহাভাষ্য "ব্যক্তবাচা সমুচ্চাৰণ"। পানিনি।

ঙ) মনৰ ভাৱ প্ৰকাশৰ বাবে, বাক্ যন্ত্ৰৰ সহায়ত ধ্বনিৰ দ্বাৰা নিষ্পন্ন, কোনো বিশেষ জন সমাজত ব্যৱহৃত স্বতন্ত্ৰ ভাৱে অৱস্থিত তথা বাক্যত প্ৰযুক্ত শব্দ সমষ্টিকে ভাষা বোলে। - ড° সুনীতি কুমাৰ চট্টোপধ্যায়

চ) (মানুহৰ বাগিন্দ্ৰিয়ৰ দ্বাৰা) "উচ্চাৰিত ধ্বনি প্ৰতীকৰ সহায়েৰে ভাৱৰ পূৰ্ণ অভিব্যক্তিৰ নাম ভাষা।"

ড° উপেন্দ্ৰ নাথ গোস্বামী

ছ) "ভাষা মানুহৰ মনৰ ভাৱ আদান প্ৰদানৰ উদ্দেশ্যে বাগিন্দ্ৰিয়েৰে উচ্চাৰণ কৰা সুসংগঠিত, সুপৰিকল্পিত ধন্যাত্মক সংকেত বিশেষ। মানুহৰ মনৰ ভাৱ আৰু চিন্তাৰ শ্ৰুয়মান প্ৰতীকেই ভাষা" -

ড° গোলোক চন্দ্ৰ গোস্বামী

কোনো বিশেষ পৰিস্থিতিত মানুহে কিছুমান স্পষ্ট ধ্বনি উচ্চাৰণ কৰে আৰু লগৰীয়াসকলে তাৰ উপযুক্ত প্ৰত্যুত্তৰ দিয়ে। অৰ্থাৎ মানুহৰ ভাষাত বিভিন্ন ধ্বনিৰ বিভিন্ন অৰ্থ আছে। কোনো ধ্বনি আৰু কোনো অৰ্থৰ মাজত থকা সংযোগৰ

অধ্যয়নেই হৈছে কোনো ভাষাৰ অধ্যয়ন। সৰল ভাষাত ক'লে এনেকুৱা হ'ব যে উচ্চাৰিত ধ্বনি প্ৰতীকৰ সহায়েৰে ভাৱৰ পূৰ্ণ অভিব্যক্তিৰ নাম ভাষা। অথবা কোনো জনসমষ্টিয়ে প্ৰণালীবদ্ধ আৰু যাদৃচ্ছিক স্পষ্ট ধ্বনিপ্ৰতীকৰ দ্বাৰা পৰস্পৰে সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলোৱা প্ৰথাৰ নাম ভাষা। গতিকে দেখা গ'ল যে ভাষাৰ এটা প্ৰণালী আছে। সেই প্ৰণালী হৈছে প্ৰতীকৰ প্ৰণালী। প্ৰতীক মানে ধ্বনিৰ প্ৰতীক। আন প্ৰতীক অৰ্থাৎ শাৰীৰিক অংগী ভংগীৰেও মনৰ ভাৱ প্ৰকাশ কৰিব পাৰি, কিন্তু সেইবোৰক ভাষাৰ শাৰীত ধৰা নহয়। ধ্বনি যন্ত্ৰৰ দ্বাৰা যি ধ্বনি প্ৰতীক উচ্চাৰিত হ'ব সেইবোৰকেই ভাষা বুলি কোৱা হয়। আকৌ প্ৰতীকবোৰ যাদৃচ্ছিক হ'ব লাগিব। স্পষ্ট ধ্বনিৰ কোনো সুকীয়া অৰ্থ নাই। গতিকে ওপৰোক্ত সংজ্ঞা কেইটা বিশ্লেষণ কৰিলে দেখা যায়।

(i) ভাষা এটা পদ্ধতি

(ii) এই পদ্ধতি বাক-ধ্বনি প্ৰতীকৰ

(iii) ধ্বনি প্ৰতীকবোৰ যাদৃচ্ছিক, আৰু

(iv) ভাষাৰ যোগেদি বিশেষ জনসমষ্টিয়ে মনৰ ভাৱৰ আদান-প্ৰদান কৰি দৈনন্দিন কাৰ্য চলায়।

গতিকে ওপৰৰ সংজ্ঞাবোৰৰ পৰা এটা কথা প্ৰতীয়মান হ'ল যে মানুহে সকলো ক্ষেত্ৰত স্পষ্ট ধ্বনিৰ জৰিয়তে ইজনে সিজনৰ লগত সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলোৱাই ভাষা। ভাষাৰ সংজ্ঞা সম্পৰ্কে আমি বিভিন্ন অভিমত পালো। ভাষানো কেনেকৈ উৎপত্তি হ'ল?

ভাষা মানুহৰ এটা আচৰিত ক্ষমতা। সেই ক্ষমতাৰ অধিকাৰী কেতিয়াৰ পৰা কেনেকৈ হ'ল তাৰ উত্তৰ কোনেও দিব নোৱাৰে। বোবাই কিবা বুজাব খুজিলে

অংগী ভংগীৰে বুজাবলৈ চেষ্টা কৰে। তাৰ মানে ক'ব পাৰি বোবাৰ মগজুতো কিছু চিন্তাই ক্ৰিয়া কৰে। আমি কথা কোৱাৰ আগতে আমাৰ মগজুৰ এনে চিন্তাই কাম কৰে তাকে আমি আয়ত্ত কৰা ভাষা ৰূপত ধ্বনিৰ মাধ্যমত প্ৰকাশ কৰো। শিশুই জন্মতে ভাষা এটা শিকি নাহে। সি পিছত মাক-দেউতাকৰ পৰাহে শিকে। এনেদৰে পিছুৱাই গৈ গৈ আমি আদিম মানৱৰ ওচৰ পাব লাগিব। কিন্তু সৃষ্টিৰ প্ৰথম আদিম মানৱে বা মানৱ গোষ্ঠীয়ে ক'ৰ পৰা ভাষা শিকিছিল। তেতিয়া ভাষা আছিলনে? নাছিল যদি ইয়াৰ উদ্ভৱ কেনেকৈ হ'ল? ইত্যাদি হেজাৰটা প্ৰশ্নই মনত দোলা দি যায়। ৰহস্যৰ কুৱলীৰে ঢকা এনে হেজাৰ প্ৰশ্নৰ উত্তৰ বিচৰাৰ ফলশ্ৰুতিতে ভাষাৰ উৎপত্তি সম্পৰ্কে বহু তথ্যৰ জন্ম হৈছে। সেইবোৰ আলোচনা কৰা হ'ল -

ক) **দৈৱী সিদ্ধান্ত ঃ** এই সিদ্ধান্ত অনুসৰি ভাষা ভগৱানৰ অৱদান। ধৰ্মীয় দিশত আস্থাশীল লোকসকলে বিশ্বাস কৰে যে ধৰ্মীয় গ্ৰন্থসমূহ যিবোৰ ভাষাত ৰচিত সেইবোৰ ভগৱানৰ সৃষ্টি। হিন্দুসকলৰ মতে বেদো অপৌৰুষেয়। আনহাতে সংস্কৃত আন এটা দেৱভাষা। বৌদ্ধসকলে পালি ভাষাকে সকলো ভাষাৰে মূল বুলি ভাবে। জৈনসকলৰ মতে অৰ্দ্ধমাগধী ভাষাই সকলো মানুহৰে আনকি জীৱজন্তুৰো বোধগম্য ভাষা। সেইদৰে খৃষ্টান সকলে হিব্ৰু ভাষাত ৰচিত 'বাইবেল' বাবে হিব্ৰুই' পৃথিৱীৰ আদিতম ভাষা বুলি ভাবে। ইচলামধৰ্মী লোকসকলে আৰবী ভাষাক জগতৰ মূল ভাষা বুলি ভাবে। গতিকে ভাষা উৎপত্তি সম্পৰ্কে এই সিদ্ধান্তটো সম্পূৰ্ণভাৱে কল্পনা প্ৰসুত। ইয়াৰ কোনো বাস্তৱ ভিত্তি নাই।

খ) **ধাতু সিদ্ধান্ত ঃ** পৃথিৱীৰ প্ৰত্যেক বস্তুতে সজোৰে আঘাত কৰিলে কিছুমান শব্দৰ সৃষ্টি হয়। এই শব্দবোৰ সুকীয়া সুকীয়া। লোত আঘাত কৰিলে টং টং, ফটা ঢোলত আঘাত কৰিলে ধেপ ধেপ আদি এনে শব্দৰ ওপৰত ভিত্তি কৰিয়েই কিছুমান ধাতুৰ সৃষ্টি হৈছিল। সম্ভৱত এনে ধাতুৰ সংখ্যা বেছি আছিল ভাষা বিকাশৰ লগে লগে এই ধাতুৰ সংখ্যা কমি আহিছিল। মেক্সমূলাৰে এই সিদ্ধান্তৰ পোষকতা কৰিছিল. যদিও পাচলৈ তেওঁ প্ৰত্যাহাৰ কৰিছিল।

গ) **অনুকৰণ সিদ্ধান্ত ঃ** কিছুমান মানুহে ভাবে যে ভাষাৰ উৎপত্তি অনুকৰণৰ ফলত হৈছে। মানুহ যিহেতু স্বাভাবিকতে অনুকৰনশীল। আদিম মানুহে তাৰ আশে পাশে থকা পশু পক্ষীৰ মাত অনুসৰণ কৰি কিছুমান শব্দৰ সৃষ্টি কৰিলে। কুলিয়ে কুউ কুউ কৈ মাতে। ইংৰাজীত কুলীক 'কুকু' বোলে। মেকুৰীয়ে মেও মেও কৰা বাবে চীনা ভাষাত মেকুৰীক মিঅউ বোলে। আনকি আমাৰ অসমীয়া ভাষাতো সৰু ল'ৰা ছোৱালীৰ ক্ষেত্ৰত মেও বুলি কয়। মানুহে পাৰিপাশ্বিক জীৱজন্তু আদিৰ্ মাতক অনুকৰন কৰি কিছুমান শব্দৰ সৃষ্টি কৰিছিল আৰু পিছলৈ সিয়েই ভাষালৈ ৰূপান্তৰিত হৈছিল। অনুকৰণৰ সিদ্ধান্তক "(ক) ধন্যাত্মক অনুকৰণ (খ) অনুকৰণাত্মক অনুকৰণ আৰু (গ) দৃশ্যাত্মক অনুকৰণ এই তিনিটা ভাগত ভগোৱা হৈছে।"[১] ধন্যাত্মক অনুকৰণ হ'ল মানুহে পাৰিপাৰ্শ্বিক জগতৰ পশু পক্ষীৰ মাত অনুকৰণ কৰি নিজৰপ্ৰয়োজনীয় শব্দ সৃষ্টি কৰিছিল। যেনে ভুক-ভুক, কা-কা ইত্যাদি। অনুকৰণাত্মক অনুকৰণ হ'ল জীৱজন্তুৰ মাতৰ পৰা প্ৰাকৃতিক জগতৰ অন্যান্য বস্তুৰ শব্দৰ অনুকৰণত শব্দৰ সৃষ্টি হোৱা। যেনে - কেৰ কেৰ, জন-জন, কুলু-কুলু, ৰিব ৰিব ইত্যাদি। চকুৰে দেখা বস্তুৰ অনুকৰণত সৃষ্টি হোৱা ধন্যাত্মক শব্দবোৰকে দৃশ্যাত্মক অনুকৰণ বোলে। যেনে - দগমগ, জ্বলজ্বল, চিকমিক ইত্যাদি।

জীৱজন্তুৰ সীমাবদ্ধতালৈ চাই আৰু সৃষ্টিৰ শ্ৰেষ্ঠ প্ৰাণী মানুহে জীৱজন্তুৰ অনুকৰণত ভাষা সৃষ্টি কৰা অবিশ্বাস্য ধাৰণাৰ বাবে ৰেগনে এই সিদ্ধান্ত বিৰোধীতা কৰিছিল। অনুকৰণৰ জৰিয়তে যে কিছুমান শব্দৰ সৃষ্টি হৈছিল, সেই বিষয়ত কাৰো সন্দেহ নাই। কিন্তু পৃথিৱীৰ যিকোনো ভাষাতে, অন্য শব্দৰ তুলনাত ধন্যাত্মক শব্দ ইমান সীমিত যে এইবোৰৰ আধাৰতে এটা সম্পূৰ্ণ ভাষাৰ জন্ম হৈছিল বুলি ভাবিব নোৱাৰি।

ঘ) **মনোভাৱা ব্যক্তিবাদ সূত্ৰ ঃ** এই সুত্ৰমতে আদিম মানৱ বিচাৰ প্ৰধান প্ৰাণী নাছিল ভাৱপ্ৰধানহে আছিল। শোক, দুখ, বিস্ময় আদি প্ৰকাশ কৰিবলৈ আঃ,

---

১। পাঠক, ৰমেশ- ভাষাবিজ্ঞানৰ ভূমিকা - পৃঃ ১২

উহ্, বা-বা আদি শব্দ প্ৰকাশ কৰিছিল। পিছলৈ এনে শব্দৰ আধাৰতে ভাষাৰ জন্ম হৈছিল। বেনফিয়ে (Benfiye Gesch) কয় যে কথা ক'ব নোৱাৰা মানুহে এনে শব্দ কৰিব পাৰে সঁচা, কিন্তু তাৰপৰাই ভাষাৰ জন্ম হোৱা বুলি ভাবিব নোৱাৰি।[২] আনহাতে মনোভাৱ অভিব্যক্ত কৰা এনে শব্দবোৰ আকৌ ভাষা ভেদে বেলেগ বেলেগ। মানুহৰ মনত যেতিয়া আনন্দ, শোক আশ্চৰ্য, আদি ভাৱৰ আতিশয্যাই যেতিয়াই দেখা দিয়ে তেতিয়াই স্বাভাৱিকতে মুখৰ পৰা নানা শব্দ ওলায। মানুহে শৰীৰত বেছিকৈ জোৰ দিবলগীয়া কাম কৰোতে কিছুমান ধ্বনি কৰি শ্ৰমৰ লাঘৱতা অনুভৱ কৰে। জাহাজৰ লঙ্গৰ তোলোঁতে নাৱিক সকলে 'য়োহে'হো' শব্দ উচ্চাৰণ কৰে। এনেকৈ সৃষ্টি হোৱা বাদক পৰিবহণ বাদ বুলি কোৱা হৈছে।

ঙ) **ভাৱ সংকেতবাদ ঃ** মানুহৰ মনৰ একো একোটা অনুভূতিয়ে একো একোটা বিশেষ দৈহিক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। দৈহিক প্ৰতিক্ৰিয়াই হ'ল ভাৱৰ সংকেত। এই ভাৱ সংকেতৰ পৰা ভাষাৰ সৃষ্টি হোৱা বুলি গঢ়ি উঠা মতবাদটোৱেই হ'ল ভাৱ সংকেতবাদ। "আলেক জেণ্ডাৰ জনচনে আইচ্ ল্যাণ্ডিক ভাষাৰ এক বিৰাট কোষ গ্ৰন্থত শব্দৰ বুৎপত্তি নিৰ্দেশ কৰিবলৈ গৈ দেখুৱাইছে যে অধিকাংশ ধাতুৰ ক্ষেত্ৰত ধ্বনি বা ক্ৰিয়াৰ লগত অৰ্থৰ সামঞ্জস্য আছে। যথা, যিবোৰ শব্দৰ আৰম্ভ দন্ত্য বৰ্ণৰে সেইবোৰৰ লগত স্পৰ্শ, গ্ৰহণ, নাশ পৰিত্যাগ আদিৰ সম্পৰ্ক বিদ্যমান। ওষ্ঠ্যবৰ্ণৰ দ্বাৰা আবদ্ধ শব্দৰ লগত কথা কোৱা গ্ৰহণ কৰা আদি ধাতুৰ যোগ বৰ্তমান ১০ পিছে এই মতবাদটোত নিৰ্ভূল নহয়। কোনো এটা ভাষাত প্ৰয়োগ হোৱা শব্দৰ উৎপত্তিৰ বিশ্লেষণ এই মতবাদটোৱেই সাঙুৰি লব নোৱাৰাৰ ফলত সৰ্বজন গ্ৰাহ্য নহ'ল।

চ) **নিৰ্ণয় সিদ্ধান্ত ঃ** এই মতবাদ অনুসৰি আদিম কালত মানুহে একেলগে লগ হৈ কোনো এটা বস্তুৰ নাম স্থিৰ কৰি ভাষাৰ জন্ম দিছিল। এই মতবাদৰো কোনো বৈজ্ঞানিক ভিত্তি নাই। আলাপ আলোচনাৰ মাজেদি ভাষাৰ জন্ম হোৱা কথাটো অবাস্তৱ।

---

২। পাঠক, ৰমেশ- প্ৰাগুক্ত - পৃঃ ১২

ছ) **বিকাশবাদ** ঃ এই মতবাদ অনুসৰি মানুহে আদিম কালত অন্যান্য জীৱ-জন্তুৰ দৰে উচ্চাৰণ কৰা অৰ্থহীন কেতবোৰ ধ্বনিয়েই বিবৰ্তনৰ যোগেদি অৰ্থযুক্ত ভাষালৈ উন্নীত হৈছে। আৰম্ভনিতে কোনে কি ভাবেৰে কি অৰ্থযুক্তৰে উচ্চাৰণ কৰা কিভাবেৰে অৰ্থযুক্ত হ'ল সেই সম্পৰ্কে এই মতবাদ নিমাত। সেইবাবে এই মতবাদ গ্ৰহণযোগ্য নহ'ল। কিছুমান পণ্ডিতে ভাষাৰ উৎপত্তি কথা ক'বলৈ গৈ ল'ৰা ছোৱালীয়ে প্ৰথম ভাষা শিকা প্ৰণালী আদিম মানুহৰ ভাষা শিকা প্ৰণালীৰ সৈতে তুলনা কৰে। ল'ৰা-ছোৱালীয়ে আগৰ পৰা প্ৰচলিত হৈ থকা ভাষা এটাহে শিকে যদিও সি তাক ভিন ভিন স্তৰত শিকে। এই স্তৰ পাবলৈ সিহঁতে প্ৰথমতে ধ্বনি শিকি লয়। ইতিমধ্যে সিহঁতে আনৰ পৰা আনক ধ্বনি শুনি থাকে। সেইবোৰ লক্ষ্য কৰি কৰি যিবোৰ সিহঁতৰ বাবে সহজ ধ্বনি সেইটো সিহঁতে আয়ত্ব কৰি লয়। আটাইতকৈ সিহঁতে সহজ পায় ওষ্ঠ্য ধ্বনি-ম। সেইবাবে সৰু ল'ৰা-ছোৱালীবিলাকে পোন প্ৰথম- মা, মামা, মাম আদি শব্দ কবলৈ শিকে। লাহে লাহে ডাঙৰ লোকক সুধি আন বস্তুবোৰৰ অৰ্থাৎ সততে দেখা জীৱ-জন্তু, চৰাই-চিৰিকতি আদিবোৰ আয়ত্ব কৰি লয়। পিচত মন আৰু বুদ্ধিৰ বিকাশৰ লগে লগে এটা ভাৱৰ পৰা আন এটা ভাৱ প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। ভাষাৰ বিকাশৰ ক্ষেত্ৰতো মানুহে ক্ৰমবিকাশৰ যোগেদি বৰ্তমান অৱস্থা পাইছে। "এইটো সম্বলপূৰ্ণ ৰূপে সম্ভৱ যে ভাষা এনে এটাস্তৰৰ পৰা উৎপন্ন হৈছে যি সময়ত নেকি ডিঙি আৰু মুখৰ মাংসপেশীবোৰৰ চালনা আৰু কিছুমান সুৱদী নাইবা আচৰিত ধ্বনি উচ্চাৰণ কৰি নিজে আনন্দ লাভ কৰাটো নাইবা আনক আনন্দ দিয়াৰ বাহিৰে আন একো উদ্দেশ্য নাছিল।"[৩] (ওপৰত) আন কিছুমানে আকৌ ভাষাৰ বিকাশৰ স্তৰবোৰ সাৱধান সূচক শব্দ, আদেশ সূচক শব্দ, বস্তু আৰু কাৰ্যৰ নাম, অৰ্যুত ভাৱ প্ৰকাশৰ শব্দ আদিৰে ভাগ বতৰা কৰি দেউওৱায়। আচলতে মানুহৰ মগজুৰ ভিতৰত হোৱা মনোবৈজ্ঞানিক প্ৰক্ৰিয়া কিছুমানৰ ফলস্বৰূপেই ভাষাৰ উৎপত্তি। মানুহৰ

---

৩। গোস্বামী, ড° উপেন্দ্ৰ নাথ, - ভাষাবিজ্ঞানৰ ভূমিকা - পৃঃ ৮২

মগজু বিকাশ আৰু সমাজ-সংগঠিত হোৱাৰ ফলতেই ভাষাৰ ক্ৰমবিকাশ। "মনোবৈজ্ঞানিক আৰু সামাজিক পৰিস্থিতিয়ে ভাষাৰ সৃষ্টি সম্ভৱ কৰিছিল। সমাজৰ বুকুত ভাষাই গঢ় লৈছে। মানুহে ইজনে সিজনৰ সৈতে মনোভাৱ প্ৰকাশ কৰাৰ আৱশ্যকতা অনুভৱ কৰাৰ প্ৰথম দিনাখনৰ পৰাই ই চলিছে।"[৪]

ভাষা বোধহয় ধেমালীৰ ফলতে আৱিস্কৃত হৈছিল। ধেমালী কৰি থাকোতে কিছুমান শব্দ যেনে বৰষুণৰ পানীৰ শব্দ টপ্ টপ্, বতাহাৰ হৌ হৌ আদিৰ আৱিৰ্ভাৱ হৈছিল। পৃথিৱীৰ ভাষাৰ লিখিত ৰূপ হিচাপে খৃপূঃ ৪০০০ বছৰৰ আগৰ মাত্ৰ ছুমেৰীয় ভাষাৰ নিদৰ্শন পোৱা গৈছে। মানৱতাৰ ইতিহাসত যি বহু যুগৰ পাছৰ ঘটনা। তাৰ বহু যুগ আগতে ভাষাৰ জন্ম হৈছিল আৰু তাৰ বিকাশো ঘটিছিল।

গতিকে আলোচনাৰ পৰা এটা কথা ক'ব পাৰি যে ভাষাৰ উৎপত্তি সম্পৰ্কে কোনোটো মতবাদকেই শুদ্ধ বুলি ক'ব পৰা নাযায়। অৰ্থাৎ কোনোটো মতবাদেই ভাষাৰ উৎপত্তি সম্পৰ্কে সঠিক স্পষ্ট সিদ্ধান্ত দিব নোৱাৰে। সেইবাবে পণ্ডিত সকলে ধাৰণা কৰে যে মানুহে যিদিনাই নিজৰ মনৰ অনুভুতিক আনৰ আগত প্ৰকাশ কৰিবৰ বাবে প্ৰয়োজন বোধ কৰিলে আৰু তাৰ মাধ্যম হিচাপে বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ আশ্ৰয় ল'লে সিদিনাই ভাষাৰ জন্ম হৈছে। ভাষাৰ উৎপত্তিৰ লগত মানুহৰ জ্ঞান, বুদ্ধি আৰু সামাজিক চাহিদা গভীৰ ভাবে যুক্ত।

## ১.০২ উপভাষা

ভাষাবিজ্ঞানৰ ভিতৰুৱা উপভাষা - বিজ্ঞান উপভাষা বিস্তৃত, শৃংখলাবদ্ধ আৰু বিজ্ঞানসন্মত অধ্যয়ন। বৰ্তমান সময়ত আধুনিক ভাষাবিজ্ঞানীৰ চিন্তাৰ উপভাষাবিজ্ঞানৰ চৰ্চাত বহুলভাৱে প্ৰভাৱ পেলাইছে। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধ

---

৪। গোস্বামী, ড° উপেন্দ্ৰ নাথ, - প্ৰাগুক্ত - পৃঃ ৮৩

পৰ্যন্ত ভাষাৰ আঞ্চলিক বৈশিষ্ট্যবোৰৰ চিনাক্তকৰণৰ কাম প্ৰণালীবদ্ধভাৱে কৰা হোৱা নাছিল। ভাষাবিজ্ঞানী সকলে ভাষাৰ অধ্যয়নত প্ৰণালীবদ্ধভাৱে উপভাষা অধ্যয়নৰ প্ৰতি বিশেষ মানোযোগ দিয়ে উনবিংশ শতিকাৰ শেষৰ পৰাহে। পূব ভাৰতৰ অন্যতম অসমীয়া ভাষাটো যথেষ্ট প্ৰাচীন ভাষা। খৃষ্টীয় সপ্তম শতিকাৰ আগভাগত চীনা পৰিব্ৰাজক হিউৱেনচাঙে কৰা উক্তিয়ে ইয়াৰ সাক্ষী। "Their speech different a little from that of mid-India"[৫] অসমীয়া ভাষাটো মাগধী প্ৰাকৃতৰ পৰা উৎপত্তি হৈছে বুলি ভাষাবিদ ড° বাণীকান্ত কাকতিয়ে কৈছে, ড° গ্ৰীৰ্য়াচনৰ মতে মাগধী প্ৰাকৃতেই প্ৰাচ্য প্ৰাকৃতৰ মূল। ড° বাণীকান্ত কাকতিয়ে ড° গ্ৰীয়াৰ্চন মতক সমৰ্থন কৰি অসমীয়া বঙলা ভাষাৰ মূল মাগধী অপভ্ৰংশ বুলি মন্তব্য দিছে। মাগধী প্ৰাকৃতে কামৰূপত খৃষ্টীয় ষষ্ঠ সপ্তম শতিকাৰ পৰাই সুকীয়া ৰূপ পৰিগ্ৰহ কৰি অসমীয়া ভাষাৰো মূল ভেটিটো গঢ় লোৱাত সহায় কৰিছিল আৰু দশম একাদশ শতিকামানৰ ভিতৰত সিয়েই সম্পূৰ্ণ অসমীয়া ভাষাৰ জন্ম দিয়ে। সম্ভৱত দশম-একাদশ শতিকামানৰ ভিতৰত মাগধী প্ৰাকৃতৰ পূৰ্ব মাগধী অপভ্ৰংশৰ পৰা অসমীয়া বঙলা, উড়িয়া ভাষাই নানা স্থানগত বৈশিষ্ট্যৰে স্বতন্ত্ৰীৰূপে গঢ় লৈ উঠে। "সপ্তম শতিকাতে কিছু বেলেগ ৰূপত আত্মপ্ৰকাশ কৰা ভাষাটোৱে ক্ৰমাত নানান ক্ষেত্ৰত আৰু বহু বেলেগ হৈ দশত শতাব্দীমানত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত এক স্বকীয় বৈশিষ্ট্য পূৰ্ণ ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰে, সিয়ে পৰবৰ্তী কালত অসমীয়া ভাষা হিচাপে জনাজাত।"[৬] খৃষ্টীয় ষষ্ঠ-সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত লিখা কামৰূপৰ ৰজাসকলৰ ভূমিদান সম্পৰ্কীয় তামৰ ফলিত ভাষাটোৰ এটা সুকীয়া ৰূপ ৰক্ষিত হ'লেও নৱম-দশম শতিকাৰ ভিতৰত ৰচিত বুলি অনুমান কৰা চৰ্যা পদত অসমীয়া ভাষাটোৰ এটা পূৰ্ণ নিদৰ্শন পোৱা যায়।

ত্ৰয়োদশ শতিকাৰ শেষভাগত বা চতুৰ্দশ শতিকাৰ আদিভাগৰ বুলি অনুমান কৰা হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' আৰু মানৱ কন্দলিৰ 'ৰামায়ণ' আদি সাহিত্য ৰাজিয়ে

---

৫। কাকতি, ড° বাণীকান্ত, - Assamese its Formation of Development.
৬। ঠাকুৰ, নগেন, - অসমীয়া ভাষা গঠনত থলুৱা ভাষাসমূহৰ উপাদান - পৃঃ ৮৩

অসমীয়া ভাষা সাহিত্যৰ বিকাশত যথেষ্ট অৰিহনা যোগায, আৰু সেই সময়ৰ সেই সাহিত্যখিনিয়ে অসমীয়া ভাষা সাহিত্যৰ বৰ ভৰাঁল চহকী কৰি তোলে। বৈষ্ণৱ যুগতে ভট্টদেৱ অসমীয়া ভাষাক ক্ৰম বিকাশৰ পথত আগবঢ়াই নিয়াত যথেষ্ট পৰিমাণে ইন্ধন যোগায়। এই যুগতে ভট্টদেৱৰ 'কথাগীতা', কথা ভাগৱতৰ দৰে অমূল্য গ্ৰন্থই গদ্য সাহিত্যৰো চানেকি দাঙি ধৰিবলৈ সক্ষম হয়। ভট্টদেৱৰ গদ্যৰ পাছতেই চৰিত পুথিৰ গদ্যই অসমীয়া গদ্যক সবল কৰি ৰূপত দাঙি ধৰিবলৈ সমৰ্থবান হয়। ইয়াৰ পাছত ইংৰাজসকলৰ অসম ৰাজত্ব কৰাৰ পিছৰে পাৰ অসমীয়া ভাষা সাহিত্যৰ আধুনিক যুগ আৰম্ভ হয় বুলি ক'ব পাৰি। খৃষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ অহা খৃষ্টান মিছনেৰীসকলে ১৮৪৬ খৃঃত অসমীয়া ভাষাৰ প্ৰথম আলোচনী কাকত 'অৰুনোদই' প্ৰকাশ কৰে। এই আলোচনী খনে অসমীয়া লেখক সাহিত্যসকলক সাহিত্য চৰ্চা কৰিবলৈ সাহস প্ৰেৰণা আৰু উৎসাহ দিয়ে। ইয়াৰ লগে লগে অসমীয়া ভাষা সাহিত্যৰ ৰচনাৰ ধাৰাবাহিকতাৰ সূচনা হয়। জোনাকী যুগৰ চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে স্বনামধন্য সাহিত্যিক সকলৰ সাহিত্যলানিৰ মাজেদি অসমীয়া ভাষাই ক্ৰমবিকাশৰ পথত অগ্ৰসৰ হৈ আজিৰ এই বৰ্তমান অৱস্থা পাইছেহি। অসমীয়া ভাষা মূলতঃ আৰ্য্যগোষ্ঠীৰ ভাষা। "আৰ্য্যসকলৰ কামৰূপ আগমন সম্পৰ্কে কোনো নিৰ্দিষ্ট সময় স্থিৰ কৰিব পৰা নাযায় যদিও খৃষ্ট পৰ্ব কেইবা শতিকাৰ পৰা ইয়াত বসতি কৰিবলৈ ধৰে বুলি পণ্ডিতসকলে অনুমান কৰিছে।"[৭] ড° সুনীতি কুমাৰ চট্টোপাধ্যায় মতে, "Assam Possessed a Hindu king in the 7th Century, according to the testimony of Hiuen Thsang and of Contemporary epigraphical documents;"[৮] খ্ৰীষ্টীয় সপ্তম শতিকাত যেতিয়া হিন্দুৰজা সকলে ৰাজ্য শাসন কৰিবলৈ ললে তাৰ লগে লগে অসমত আৰ্য প্ৰবজন প্ৰবল হয়। সাংস্কৃতিক দিশত, বিশেষকৈ ভাষা আৰু ধৰ্মীয় দিশত প্ৰাচীন অসমৰ মঙ্গোলীয় আৰু অষ্ট্ৰিক সকলত কৈ উন্নত হোৱাৰ বাবেই

৭। গোস্বামী, যতীন ঃ অমসীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস; ১৯৯৫ পৃ. ১৯
৮। Chartterjee, S.K.O.D.B.L. Vol. one P. 70 ৯

বোধহয় ইয়াৰ আদিবাসীসকলেও আৰ্য সংস্কৃতি গ্ৰহণ কৰে বুলি পণ্ডিত সকলে অনুমান কৰে। ৰাজনৈতিক আৰু সাংস্কৃতিক কাৰণত তিৰ্ব্বতধৰ্মী সকলৰ অধিক সংখ্যকে লোকে আৰ্যধৰ্ম আৰু ভাষা লৈ বিভিন্ন জাতি গঠনত অৰিহনা যোগাইছিল। অসমীয়া ভাষাত তাৰ ব্যতিক্ৰম নাছিল। সেইবাবেই আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত অসমীয়া ভাষাটো স্বকীয় বৈশিষ্ট্যসমৃদ্ধ ভাষা। এইটো অনস্বীকাৰ্য যে প্ৰাকৃত আৰু অপভ্ৰংশৰ মাজেদি স্বকীয় ৰূপ লোৱা এই ভাষাটোৱে প্ৰাচীন কালৰে পৰা আৰ্যকেন্দ্ৰিক সংস্কৃতিৰ লগত এই অঞ্চলৰ যোগসূত্ৰ বন্ধনৰ মিশ্ৰিত প্ৰমাণ দাঙি ধৰে। অসমীয়া ভাষাটোত যে কেৱল আৰ্য মূলীয়া উপাদানেৰে, ধ্বনি, শব্দ আদিৰ দিশত অৰিহনা যোগাইছে তেনে নহয়, অনাৰ্যভাষাৰ উপাদানেও অসমীয়া ভাষাক চহকী কৰি তুলিছে। কোনো প্ৰজাতিয়ে আদিম নহয়, বিভিন্ন সময়ত বিভিন্ন পৰিবেশত বিভিন্ন ঘটনা পৰিঘটনাত তেওঁ লোক আহি অসমত থিতাপি হয়। এই প্ৰজাতীয় লোকসকল যে একে সময়তে অসমলৈ আহিছিল এনে নহয়। অসমত অষ্টিক জনগোষ্ঠীৰ লোকসকল প্ৰাচীন বুলি ভাষাবিদ সকলে স্বীকাৰ কৰে। চাওতাল, খাচি আৰু জয়ন্তীসকল এই গোষ্ঠীৰ অন্তৰ্গত। আৰ্য্য বসতিৰ বহুকাল আগৰেপৰা মঙ্গোলীয় গোষ্ঠীৰ লোক সকল এই দেশলৈ আহিছিল আৰু ইয়াত বাস কৰিছিল। নেগ্ৰিটো, প্ৰট মঙ্গোলিয়দ অষ্ট্ৰমঙ্গোলীয়দ আদি আৰ্য্যোত্তৰ জনগোষ্ঠীৰ ভিতৰত মাঙ্গোলীয়দ গোষ্ঠীৰ লোক অসমত বেছি। মঙ্গোলীয় গোষ্ঠীটো তিৰ্ব্বতধৰ্মী ভাষাগোষ্ঠীৰ ভিতৰুৱা। আৰ্যসকল অসমলৈ অহাৰ বহু আগতে বিভিন্ন সময়ত বিভিন্ন পথেৰে মঙ্গোলীয় প্ৰজাতিৰ লোকসকল জাকে জাকে অসমত প্ৰৱেশ কৰিছিল অসমৰ ভৈয়াম আৰু দাতিকাষৰীয়া পাহাৰবোৰত বসবাস কৰা বড়ো, কোচ, কছাৰী, মৰান, চুতীয়া, বৰাহী, ৰাভা, মেচ, তিৱা, হাজং, মিচিং, কাৰ্বি নিচি আদি বিভিন্ন জনজাতিৰ মানুহবোৰ এই মঙ্গোলীয় প্ৰজাতিৰেই ভিন ভিন শাখাৰ বংশধৰ।

সাধাৰণ ভাৱেৰে চালে ভাষা মানুহৰ মনৰ ভাৱ প্ৰকাশৰ উত্তম মাধ্যম। আৰু বহল অৰ্থত যদি কোৱা হয় তেনেহ'লে ক'ব পাৰি যে ভাষাই কেৱল মনৰ

ভাৱ প্ৰকাশতেই সীমাবদ্ধ নাথাকে। ই গোটেই মানৱ জাতিৰে সভ্যতা আৰু সংস্কৃতিৰো মাপকাঠী স্বৰূপ। ভাষা কোনো এটা স্বাভাৱিক বৃত্তি নহয়, ই এটা আয়ত্ত্ব কৰা সাংস্কৃতিক কাৰ্য। জগতৰ প্ৰত্যেক জাতিৰ সামগ্ৰিক জীৱন ধাৰা, সাহিত্য-সংস্কৃতি শিক্ষা দীক্ষা এই সকলোবোৰ নিহিত হৈ আছে ভাষাৰ মাজত। ভাষাই মানুহৰ ভাৱ আৰু অনুভতি পূৰ্ণ অভিব্যক্তি। এটা ভাষা কম বেছি পৰিমানে সাদৃশ্য পূৰ্ণ কিছুমান ব্যক্তিভাষাৰ সমষ্টি। এই দিশৰ পৰা ব্যক্তিভাষাৰ প্ৰাথমিক মৌলিক ক্ষুদ্ৰতম গোট। প্ৰত্যেকে নিজা ভাষাটো কোৱাৰ ধৰণৰ ওপৰত ব্যক্তিভাষাৰ নিজস্বতাই নিৰ্ভৰ কৰে। এটা ভাষা উপভাষাৰ সমষ্টি আৰু এটা উপভাষা কোনো জনসমষ্টিৰ ব্যক্তিভাষাৰ অন্তৰ্গত ব্যক্তিভাষা সমূহৰ পাৰস্পৰিক মিল থাকে৷ চমু কথাত যি জনসমষ্টিৰ ইজনে সিজনে ব্যক্তিভাষা বুজে, সেই জনসমষ্টিৰ ব্যক্তিভাষাৰ সমগ্ৰতাই হ'ল এটা উপভাষা। উপভাষা হ'ল মূল ভাষা এটাৰ অন্তৰ্গত এক বিশেষ ৰূপহে। ভাষা এটা যিদৰে বিভিন্ন আঞ্চলিক বা স্থানীয় ৰূপৰ সমষ্টি। মান্যভাষা আৰু উপভাষাৰ মাজত থকা ভাষাতাত্বিক পাৰ্থক্যৰ দৰে বিভিন্ন স্থানীয় উপভাষিক ৰূপৰ মাজতো পাৰ্থক্য থকা পৰিলক্ষিত হয়। যেতিয়া এটা ভাষা সম্প্ৰদায়ৰ কোনো এটা উপভাষাই সামাজিক, সাংস্কৃতিক, শৈক্ষিক, ৰাজনৈতিক, ধৰ্মীয় অৰ্থনৈতিক আদি কাৰণত বিশেষ মৰ্যদা পায় তাকে সেই ভাষাটোৰ মান্য ভাষা বুলি কোৱা হয়। অৰ্থাৎ উপভাষাবোৰৰ মাজত থকা সমষ্টি। মান্যভাষা আৰু উপভাষাৰ মাজত যিটো উপভাষাই সকলো দিশত মৰ্যদা প্ৰাপ্ত হয় সেই উপভাষাটোকে মান্য ভাষাৰ মৰ্যদা দিয়া হয়।

ভাষা হ'ল মানৱ সংস্কৃতিৰ ঘাই উপাদান। পৃথিৱীত যিমান জাতি আছে ঠিক সিমান ভাষাও আছে। প্ৰত্যেক জাতিৰে স্বকীয় একেটা নিৰ্দিষ্ট ভাষা থকা দেখা যায়। দেখাত একে যেন লাগিলেও ভাষাবৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ কৰিলে ভাষাৰ মাজত কিছু অমিল থকা পৰিলক্ষিত হয় আৰু এটা ভাষাৰ শৃংখলাবদ্ধ প্ৰণালীবদ্ধ অধ্যয়নেই সেই জাতি উপজাতিৰ পৰিচয় চিনাক্ত কৰিব পাৰে। এটা ভৌগোলিক

পৰিবেষ্টনৰ পৰিসৰ যদি ব্যাপক হয় তেতিয়া সকলো ভাষাৰ ক্ষেত্ৰতে শব্দ, অৰ্থ বা ধ্বনিৰ ক্ষেত্ৰত সমৰূপতা লাভ কৰা সম্ভৱ নহয়। অৱশ্যে মূল ভাষাটোৰ পৰা উপভাষা একেবাৰে পৃথক নহয়। মাথোন কিছু কিছু দিশতহে প্ৰভেদ পৰিলক্ষিত হয়।

উপভাষা সৃষ্টিৰ কাৰণ কেইবাটাও। জনবসতিৰ গঠন পক্ৰিয়া, যাতায়ত আৰু প্ৰব্ৰজনৰ পথ, ৰাজনৈতিক গোট, বাণিজ্যিক কেন্দ্ৰ, শৈক্ষক কেন্দ্ৰ, ভৌগোলিক অৱস্থিতি আদি। অৰ্থাৎ উপভাষা সৃষ্টিত ঐতিহাসিক, ভৌগোলিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক কাৰণ নিহিত হৈ আছে।

ঐতিহাসিক কাৰণৰ ভিতৰত প্ৰধান কাৰণ হ'ব পাৰে জনবসতিৰ গঠন পক্ৰিয়া। বিভিন্ন সময়ত বিভিন্ন ঠাইলৈ বিভিন্ন সুতিঁয়েদি জাতি উপ-জাতি সমূহৰ প্ৰব্ৰজন হৈছিল। এই জাতি উপ-জাতিবোৰৰ প্ৰত্যেকৰে নিজা নিজা সুকীয়া ভাষা আছে। প্ৰব্ৰজনৰ ফলত বিভিন্ন জনগোষ্ঠীৰ লোক একেলগে বসবাস কৰি থাকিবলৈ লোৱাৰ লগে লগে সেই ঠাইত আগৰে পৰা থকা ভাষাগোষ্ঠীৰ লগত সংমিশ্ৰন ঘটে। ফলস্বৰূপে প্ৰব্ৰজনকাৰী সকলে আৰু আগৰে পৰা থকা ভাষাগোষ্ঠীৰ প্ৰত্যেকৰে ওপৰত ভাষাৰ প্ৰভাৱ পৰে। ভাষাই ভাষাৰ ওপৰত পৰা প্ৰভাৱৰ ফলত মূল ভাষাটোৰ পৰা কিছু পৰিমাণে হ'লেও ধ্বনিৰ উচ্চাৰণ, ৰূপ ৰচনা, শব্দৰ প্ৰয়োগ আদিৰ পৃথক হৈ পৰে। এনেদৰে ভাষাবিজ্ঞানৰ পৰা কিছুমান আঞ্চলিক ৰূপৰ সৃষ্টি হয়। অসমীয়া ভাষাৰ উপভাষাৰ ক্ষেত্ৰতো ঐতিহাসিক কাৰণ অন্তৰ্নিহিত হৈ আছে।

অসমলৈ আৰ্য-সকল যেতিয়া পোন প্ৰথমবাৰৰ বাবে পশ্চিম অসমৰে প্ৰৱেশ কৰে তেতিয়া তেওঁলোক সেই সময়ত পশ্চিম অসমত বসবাস কৰি থকা অনাৰ্য লোক সকলৰ সংস্পৰ্শলৈ আহি এক সুকীয়া ভাষাৰ সৃষ্টি কৰিলে। ফলস্বৰূপে আৰ্যমূলীয়া অসমীয়া ভাষাৰ দুটা প্ৰবাহৰ সৃষ্টি হ'ল উজনিৰ ভাষা আৰু নামনিৰ ভাষা। দ্বিতীয়তে উপভাষা সৃষ্টিত ৰাজনৈতিক কাৰণো নিহিত হৈ থাকে। এটা ভাষা

বিস্তৃত অঞ্চলত বিয়পি পৰাৰ ফলত সেই অঞ্চল যদি ভিন ভিন শাসকৰ অধীন হয়, তেতিয়াও ভাষাই ভিন্নতা ৰূপ পৰিগ্ৰহণ কৰে। এই ক্ষেত্ৰত আমি অসমীয়া ভাষাটোলৈকে আঙুলিয়াব পাৰো। ১২২৮ চনত আহোমসকলে অসমৰ পূব অঞ্চল অধিকাৰ কৰি শিৱসাগৰ জিলাত ৰাজধানী স্থাপন কৰে। লাহে লাহে তেওঁলোকৰ ৰাজ্য বাঢ়ি গৈ কামৰূপৰ সীমা পায়হি। গতিকে উজনি অসমখন এক শাসনৰ অধীন হয় তাৰ ভাষাটোৱে এটা বিশেষ গঢ় লয়। নামনি অসমখন ১৬৮২ চনলৈকে ৰাজনৈতিক পিনৰ পৰা সম্পূৰ্ণ বেলেগভাৱে আছিল আৰু অতি প্ৰাচীন কালৰ পৰা এই অঞ্চল বিভিন্ন সময়ত বিভিন্ন ৰজাৰ অধীনত আছিল। ইয়াৰ বাহিৰেও মুছলমান সকলেও চনৰ ১২০৫ পৰা ১৬৮২ চনলৈকে বহুবাৰ আক্ৰমন কৰিছিল। ফলত নামনি অসমৰ ভাষাই সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল।

ভৌগোলিক কাৰণৰ ক্ষেত্ৰত কব পাৰি জলবায়ু ভেদেও ভাষাৰ আঞ্চলিক ৰূপ সৃষ্টি হয়। ভৌগোলিক কাৰণবোৰৰ, ভিতৰত প্ৰধান হ'ল প্ৰাকৃতিক বাধাবোৰ। সেই প্ৰাকৃতিক বাধাবোৰ হ'ল - ডাঙৰ নদী, ডাঙৰ হাবি, ডাঙৰ পাহাৰ, আদিয়ে উপভাষা সৃষ্টিৰ অৰিহনা যোগায়। জনংসংখ্যা বৃদ্ধিৰ হেতু এটা ভাষা সম্প্ৰদায়ৰ মানুহে বিস্তৃত অঞ্চলত বিয়পি পৰে। ফলত মানুহ বিলাকৰ বসবাসৰ দূৰত্ব বেছি হোৱা বাবে সঘনে মানুহ বিলাকৰ মাজত মিলামিচা কৰা বা পাৰস্পৰিক সম্পৰ্ক শিথিল হৈ পৰে। এনে মিলামিচাত কেতিয়াবা প্ৰাকৃতিক বাধাবিলাকো হেঙাৰ স্বৰূপ হৈ পৰে। এনে ক্ষেত্ৰত একোটা ভাষা সম্প্ৰদায়ৰ পৰা ভিন ভিন আঞ্চলিক উপভাষাৰ সৃষ্টি হয়।

উপভাষা সৃষ্টিত ৰাজনৈতিক, ভৌগলিক কাৰণৰ উপৰিও সামাজিক কাৰণো নিহিত হৈ থাকে। এখন সমাজত ভিন্ন সম্প্ৰদায়ৰ লোক বসবাস কৰি থাকে। ফলত মানুহৰ মাজত কিছুমান বৰ্ণবৈষম্যৰ বাবে সমাজত খোৱাবোৱা, ৰাজহুৱা অনুষ্ঠান, উৎসৱ পাৰ্বন আদিত কিছুমান বাধা থকা দেখা যায়। ফলত এখন সমাজত সামাজিক ব্যৱধান থকা দেখা যায়। ফলস্বৰূপে এটা অঞ্চলত ভিন্ন উপভাষাৰ সৃষ্টি হয়।

এইবোৰৰ উপৰিও কোনো এটা অঞ্চল যদি সাহিত্য সংস্কৃতিৰ দিশত আগবঢ়া হয় তেতিয়াও সেই অঞ্চলত প্ৰচলিত ভাষাই এটা সুকীয়া ৰূপ লোৱা দেখা যায়। আনহাতেদি সাংস্কৃতিক কেন্দ্ৰৰ সালসলনি হ'লেও ভাষা আৰু উপভাষাৰ সৃষ্টিৰ কাৰণ হ'ব পাৰে।

উপভাষা সৃষ্টিৰ যেনেদৰে কাৰণ আছে ঠিক তেনেদৰে উপভাষা খণ্ড খণ্ড ৰূপে নহবলৈও কিছুমান উপায় আছে। যেনে সাহিত্য, শিক্ষাকেন্দ্ৰ, বিয়াবাৰু, উৎসৱ পাৰ্বন, ব্যৱসায় বাণিজ্য কেন্দ্ৰ, ৰেডিঅ', দূৰদৰ্শন, বাতৰি কাকত ইত্যাদিয়ে ভাষাৰ এই খণ্ড খণ্ড ৰূপ সৃষ্টি নোহোৱাত সহায় কৰে।

উপভাষা সংমিশ্ৰনে বহু সময়ত উপভাষাটোৰ অৱনতি ঘটায়, বহুসময়ত মূল মাতৃভাষাৰ সৌষ্ঠৱ বৃদ্ধিত সহায় কৰে। উপভাষা প্ৰকৃততে একোটা ভাষাৰ ক্ষেত্ৰীয় ৰূপহে, অশুদ্ধ বা নিম্ন পৰ্য্যায়ৰ নহয় "তদুপৰি উপভাষা বুলিলে কেৱল ভৌগোলিক উপভাষাকে নুবুজায়। বৰ্ণ বা জাতিভেদেও উপভাষা থাকিব পাৰে।"[৯] পৃথিৱীৰ সকলো ভাষাৰে অধ্যয়ন কেৱল মান্য ভাষাতে সীমাবদ্ধ নহয়। উপভাষাবোৰৰ বহুল অধ্যয়ন আৰু গৱেষনাইহে ভাষাৰ অধ্যয়ন সম্পূৰ্ণ কৰে।

## ১.০৩ অধ্যয়নৰ গুৰুত্ব

ভাষা মানুহৰ বাঙ্ময় ৰূপ আৰু ই সাংস্কতিক কাৰ্য্য। প্ৰাগ্ঐতিহাসিক কালৰেপৰা বৰ্তমানলৈকে মানুহৰ জীৱন ধাৰাৰ প্ৰবাহমান গতিত ভাষাৰ ভূমিকা অনস্বীকাৰ্য্য। সমাজ বিশেষে পুৰুষৰ ভাষাৰ লগত নাৰীৰ ভাষাৰ পাৰ্থক্য দেখা যায়। বিভিন্ন গোষ্ঠীৰ লোকৰ সংমিশ্ৰণে উপভাষাৰ গঠনত বৈচিত্ৰ্য আনিব পাৰে। সমাজৰ শিক্ষা, জাতি জনগোষ্ঠীৰ অৱস্থান, ধৰ্মীয় আদি দিশৰ লগতো উপভাষাৰ অধ্যয়ন জড়িত হৈ থাকিব পাৰে। সমাজ ভাষাতত্বৰ দিশত সামাজিক ৰীতি-নীতি, আচাৰ

৯। দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ, - আধুনিক ভাষাবিজ্ঞান পৰিচয় - পৃ. ৬৭

ব্যৱহাৰ, গঠন প্ৰক্ৰিয়াৰ প্ৰভেদ আদিৰ উপভাষাগত অধ্যয়নত প্ৰতিফলিত হয়।

ভাষাৰ যেনেদৰে অধ্যয়নৰ গুৰুত্ব আছে ঠিক তেনেদৰে উপভাষাৰো অধ্যয়নৰ গুৰুত্ব কম নহয়। ভাষাৰ গঠন তথা শৃংখলাবদ্ধ আলোচনাৰ বাবে উপভাষাবোৰৰে পুংখানুপুংখ অধ্যয়ন আৰু গৱেষনাৰ অতীব আৱশ্যক। ভাষাৰ ইতিহাসৰ অধ্যয়নে ভাষাগত পৰিবৰ্তন স্তৰত বিশেষভাৱে সহায় কৰে। ঐতিহাসিক ভাষাতত্বৰ ক্ষেত্ৰত উপভাষা হ'ল অতি মূল্যবান সম্পদ। উপভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নে মূল ভাষাটোৰ আগৰ স্তৰবোৰৰ বিষয়ে, নতুনকৈ গ্ৰহন কৰা শব্দমালাৰ সময় নিৰূপনৰ বিষয়ে সম্যক জ্ঞান আহৰণত সহায় কৰে। উপভাষা অধ্যয়ন মানে কেৱল একোটা বিশেষ গোষ্ঠী বা অঞ্চলত দুই বা তাতোধিক ব্যক্তিৰ কথোপকথনৰ ভাষাগত গঠনৰ অধ্যয়ন। ধ্বনিগত, ৰূপগত তথা শব্দগত সকলো দিশকে খৰচিমাৰি আলোচনা কৰিলেহে মূল ভাষাৰ অধ্যয়নত সহায়ক হ'ব। সুৰ, সুৰ লহৰ, শ্বাসঘাত ইত্যাদিত এই বিষয় সমূহৰ অৰ্ন্তভুক্ত।

উপভাষা অধ্যয়নৰ পৰিসৰ অত্যন্ত ব্যাপক। ভৌগোলিক স্তৰত উপভাষা সৃষ্টিৰ কাৰণ, উপভাষাবোৰৰ মাজৰ পৰম্পৰাগত সম্পৰ্ক, উপভাষাৰ সীমা নিৰ্দ্ধাৰিণ, মান্যভাষা সৃষ্টিৰ কাৰণ, আদিৰ সম্পৰ্কে বিচাৰ বিশ্লেষণ কৰা হয়। সমাজ ভাষাবিজ্ঞান জাতি, জীৱিকা আদিৰ লগত ভাষাৰ সম্পৰ্ক, সাংস্কৃতিকস্তৰ অনুসৰি ভাষাৰ বিভিন্ন ৰূপ, লিংগ অনুসৰি ভাষাৰ পাৰ্থক্য, দ্বিভাষী-অৱস্থা, আৰু ভাষাত তাৰ প্ৰভাৱ, দ্বি-ভাষী ভাষা, বৰ্গভাষা আদিৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হয়। মুঠতে জাতি এটাৰ ইতিহাস, বিৱৰ্তন, সামাজিক, সাংস্কৃতিক ৰাজনৈতিক আদি এনে এটা দিশ নাই যিটো উপভাষা অধ্যয়নৰ পৰিধিত নপৰে।

উপভাষা অধ্যয়নৰ গুৰত্ব ঘাইকৈ ঐতিহাসিক আৰু সাংস্কৃতিক। উপভাষাৰ অধ্যয়নে ভাষাৰ ইতিহাস ৰচনাতো সঠিক পোহৰ পেলাব পাৰে। ব্লমফিল্ডৰ মতে,

“ভাষাবিজ্ঞানীৰ বাবে স্থানীয় উপভাষাবোৰৰ মূল্য যথেষ্ট। সেইবাবে তেওঁক কামৰ আহিলা যোগায় বাবেই নহয়, আঞ্চলিক উপভাষাবোৰৰ জৰিয়তেহে মান্য আৰু অৰ্ধ মান্য ভাষাৰ মূল আৰু ইতিহাস বুজিব পাৰি। উপভাষাগত অধ্যয়নে অনেক ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহনত সহায় কৰে। উপভাষা অধ্যয়নৰ ফলত আৰু এটা দিশ উন্মোচিত হয় সেইটো হৈছে সাংস্কৃতিক জীৱন ধাৰা। জন-বসতিৰ গাঁথনিৰ ধাৰনাও উপভাষা অধ্যয়নৰ জৰিয়তে পাব পাৰি। বহু নজনা কথাৰ উপেক্ষিত হৈ থকা দিশবিলাকৰো উমান উপভাষা অধ্যয়নে দিব পাৰে।

আনহাতে উপভাষা অধ্যয়নৰ এটা ইতিবাচক দিশ হ'ল উপভাষা আৰু মান্যভাষাৰ মাজত যিটো উচ্চাত্মিক বা নীচাত্মিক ভাৱৰ সৃষ্টি হয় সেইবোৰ আতৰি যায়। যেতিয়া উপভাষা বা মান্যভাষাৰ সৃষ্টিৰ কাৰণ উদ্‌ঘাটন হয় তেতিয়া দুয়ো ভাষাৰ মাজত থকা সেই মনোবৃত্তি নাথাকে। শিক্ষা, জীৱিকা, চাকৰি, ব্যৱসায় ইত্যাদি বিভিন্ন কাৰণবশত এটা অঞ্চলৰ লৌক অঞ্চলৰ লোক সতে মিলামিচা কৰিব লগীয়া হয়। ফলস্বৰূপে ভাষাৰ সেই প্ৰথম অভিজ্ঞতাই তেওঁলোকক যথেষ্ট সহায় কৰে। সেইবাবেই উপভাষা অধ্যয়নৰ গুৰুত্ব অপৰিসীম। উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কত লিওনাৰ্ড ব্লুফিল্ডে কৈছে “মান্য আৰু অৰ্ধমান্য ভাষাৰ মূল আৰু বুৰঞ্জী আঞ্চলিক উপভাষা বোৰৰ জৰিয়তে বুজিব পাৰি।”[১০] উপভাষা অধ্যয়নে মূল ভাষাটোৰ সম্পূৰ্ণ পৰিচয় দাঙি ধৰাৰ উপৰিও ব্যৱহাৰিক জীৱনত ইয়াৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাৰ কেইবাটাও কাৰণ আছে। তাৰ ভিতৰত-

(১) উপভাষাবোৰৰ অধ্যয়ন ভাষাটোৰ মূল আৰু ইতিহাস সম্পৰ্কে এটা সঠিক ধাৰণা দিবলৈ সক্ষম হয়।

(২) উপভাষাবোৰত সংৰক্ষিত হৈ থকা শব্দৰাজি মান্য ভাষাই গ্ৰহণ কৰি সাংস্কৃতিক দিশত এক আলোকপাত কৰিব পাৰে।

---

১০। কোঁৱৰ, ড° অৰ্পণা, - ভাষা সাহিত্যৰ বিবিধ চিন্তা - পৃঃ ১১৫

(৩) উপভাষাৰ প্ৰতি মানুহৰ এক অহৈতুক হেঁপাহ আছে। সেইবাবে উপভাষা অধ্যয়নে বহুতো নজনা কথা পোহৰলৈ আনে।

(৪) এটা জাতিৰ জীৱন ধাৰণৰ পদ্ধতিৰ লগত ভাষাৰ ওতঃপ্ৰোত সম্পৰ্ক থকা দেখা যায়। উপভাষাৰ অধ্যয়নৰ ফলত আদিম জাতিৰ অনুসন্ধান পাব পাৰি। উপভাষা অধ্যয়নৰ জৰিয়তে এটা জাতিৰ জীৱন বুৰঞ্জী অধ্যয়ন কৰা হয়।

(৫) উপভাষা অধ্যয়নে মানৱজীৱনৰ প্ৰায়োগিক দিশত যথেষ্ট সহায় কৰে। চাকৰি, ব্যৱসায়িক সূত্ৰ এটা অঞ্চলৰ লোক অন্য অঞ্চলৰ ঠাইলৈ যাব লগা হয় তেতিয়া সেই অঞ্চলত প্ৰচলিত উপভাষাটো অধ্যয়ন কৰি শিকিবুজি ললেহে বাস্তৱিক দিশত উপকৃত হ'ব।

(৬) শব্দবিলাকৰ ইতিহাস জনাতো উপভাষা অধ্যয়নে সহায় কৰে।

(৭) উপভাষা অধ্যয়নে মান্যভাষাৰ পৰিপুষ্টি সাধন কৰে। উপভাষা অধ্যয়নৰ যোগেদি উপভাষা সমূহৰ পৰা শব্দগত সমল আহৰণ কৰি মান্য ভাষাত ব্যৱহাৰ কৰিব পাৰি। শব্দৰ উপৰিও বাক্যাংশ, জতুৱা ঠাঁচ, ফকৰা যোজনা, প্ৰবাদ বচন আৰু লৌকিক গীত মাত বিলাক উদ্ধাৰ কৰি মান্যভাষাৰ পৰিপুষ্টি সাধন কৰিব পাৰি।

(৮) উপভাষা অধ্যয়নে ভৱিষ্যতৰ গৱেষক সকলৰ বাবে সমলৰ যোগান ধৰে।

(৯) উপভাষা এটাৰ ধ্বনিগত, ৰূপগত, শব্দগত আদি সকলো দিশ আলোচনা যিহেতু হয় গতিকে এখন ব্যাকৰণো ৰচিত হ'ব পাৰে। তেতিয়া অনাভাষী সকলৰ বাবে বহুত সহায়ক হ'ব।

ওপৰোক্ত কথাখিনিৰ পৰা ক'ব পাৰি যে উপভাষা অধ্যয়নৰ অধিক গুৰুত্ব

আছে। উপভাষা অধ্যয়নৰ জৰিয়তে এটা মান্য ভাষাৰ বিচাৰ বিশ্লেষণত যথেষ্ট সহায়ক হয়। মান্য ভাষাৰ মান্যতা প্ৰাপ্তি মূলতে হ'ল উপভাষাসমূহৰ অধ্যয়ন। গতিকে উপভাষা অধ্যয়নৰ গুৰুত্ব অপৰিসীম।

উপভাষা অধ্যয়ন বিশেষভাৱে ক্ষেত্ৰ অধ্যয়নৰ লগত জড়িত। মূল ভাষাটোৰ বিষয়ে জ্ঞান আহৰণত উপভাষা অধ্যয়নে বিশেষভাৱে সহায় কৰাৰ উপৰিও উপভাষা অধ্যয়নৰ মূলতে কেবাটাও কাৰণ নিহিত হৈ আছে। যেনে - (ক) কৌতুহল (খ) নৃতাত্ত্বিক, (গ) ভাষাগত আৰু (ঘ) প্ৰায়োগিক।

## ১.০৪ অধ্যয়নৰ পৰিসীমা

উপভাষাৰ সীমা ৰাজনৈতিক মানচিত্ৰৰ সীমাৰ দৰে নহয়। কিয়নো সীমাত থকা অঞ্চলবোৰত দুয়োটা উপভাষাৰ উমৈহতীয়া বৈশিষ্ট্য থাকে। উপভাষাৰ সীমা নিৰ্দ্ধাৰন কৰি তাৰ মানচিত্ৰ ৰচনা কৰিবলৈ ক্ষেত্ৰ সমীক্ষা কৰা হয়। কোনো ধ্বনি উচ্চাৰন ৰীতি বা ৰূপ অথবা শব্দ প্ৰয়োগ বিধিৰ সাদৃশ্যৰ ওপৰত ভিত্তি কৰি একাধিক ঠাইক একত্ৰিত কৰি এক্কেটা অঞ্চল হিচাপে চিহ্নিত কৰাটোৱে হ'ল ক্ষেত্ৰ সমীক্ষাৰ উদ্দেশ্য। ভাষাৰ যি উপাদনক লৈ ক্ষেত্ৰ সমীক্ষা কৰা হয় তাক কোৱা হয় বিষয় আৰু যিবোৰ ঠাইত সমীক্ষা চলোৱা হয় সেইবোৰক ক্ষেত্ৰবিন্দু বোলা হয়।

সাধাৰণতে যিবোৰ ঠাইৰ মানুহৰ ওপৰত বাহিৰৰ মানুহৰ প্ৰভাৱ কম আৰু মানুহৰ জীৱন স্থিতিশীল সেই ঠাইবোৰক ক্ষেত্ৰবিন্দু হিচাবে লৈ তাত বাস কৰা অশিক্ষিত বা অৰ্ধশিক্ষিত লোকৰ পৰা ক্ষেত্ৰ সমীক্ষকে তথ্য আহৰন কৰে। যিবোৰ লোকৰ পৰা তথ্য লোৱা হয় সেইবোৰক তথ্য সৰবৰাহকাৰী বোলা হয়।

প্ৰকৃততে ক'বলৈ হ'লে উপভাষাৰ ক্ষেত্ৰ অধ্যয়নৰ নীতি বান্ধি দিয়া বাস্তৱ নহয়। ক্ষেত্ৰ অধ্যয়নত থকা প্ৰশ্নাৱলীৰ ভিতৰত মৌলিক শব্দ প্ৰত্যক্ষ বা পৰোক্ষ

পদ্ধতি, গ্ৰহন কৰা হয়। মান্যভাষাত ব্যৱহৃত নামবোৰ কৈ তথ্য সৰবৰাহকাৰীক আকাৰে ইঙ্গিতে বস্তুবোৰ দেখুৱাই সেইবোৰৰ স্থানীয় নাম কি সুধিব আৰু তাৰ উত্তৰত পোৱা যায় তাক লিপিবদ্ধ কৰিব। এনেদৰে যিবোৰ ঠাইত সদৃশ শব্দ ব্যৱহৃত হোৱা শুনা যায় সেইবোৰ ঠাই, একোটা বিন্দুৰে মানচিত্ৰত চিহ্নিত কৰিব।

সাধাৰণতে উপভাষাৰ পৰিসীমা নিৰ্দ্ধাৰণ কৰিবলৈ যাওঁতে পাঁচটা ভাগত ভাগ কৰি ল'লে সুবিধা হয়। এই ভাষা অনুসৰি ভিন ভিন ৰেখা অংকন কৰি ভাষিক মানচিত্ৰত পূৰ্ণ কৰা হয়।

যেনে -

১) শব্দগত

২) ধ্বনিগত

৩) ৰূপগত

৪) বাক্য বিন্যাসগত আৰু

৫) অৰ্থগত

**১। শব্দগত ঃ**

কোনো এটা অঞ্চলত প্ৰকাশিত শব্দ। বিভিন্ন উপভাষিক অঞ্চলত বিভিন্ন ধৰণৰ হ'ব পাৰে। উদাহৰণ হিচাবে আমি অসমীয়া ভাষাৰ মান্য ৰূপত শেৱালী ফুলক কামৰূপৰ উপভাষাত পাইনপেলী ফুল বুলি কোৱা হয়। সেইদৰে অঞ্চল অনুসৰি বিশেষভাৱ বুজাবলৈ একাধিক শব্দ অথবা একাধিক ভাৱ বুজাবলৈ এটা শব্দৰো প্ৰচলন হয়। এনেদৰে কোন অঞ্চলত শব্দবিলাকৰ ৰূপে একে পোৱা গৈছে, কোন কোন অঞ্চলত বেলেগ ৰূপ পোৱা গৈছে তাক সীমা নিৰ্দ্ধাৰন কৰি উপভাষাৰ চিনাক্ত কৰা হয়।

২। **ধ্বনিগত ঃ**

বিভিন্ন অঞ্চলত শব্দ বিলাক উচ্চাৰন কৰোতে ধ্বনিগত উচ্চাৰণত ভিন্নতাৰ ওপৰত ভোট কৰি উচ্চাৰণত্মক উপভাষা সীমা নিৰ্দ্ধাৰন কৰিব পাৰি। ধ্বনিগত উপাদান পাৰ্থক্য অনুসৰি উপভাষাৰ সীমা নিৰ্দ্ধাৰক ৰেখা আঁকিব পাৰি। যেনে- উজনি অসমৰ নিম্ন স্বৰধ্বনিৰ ঠাইত নামনি অসমৰ ভাষাত উচ্চ স্বৰধ্বনি হয়।

৩। **ৰূপগত ঃ**

ব্যাকৰণগত বিচাৰ বিশ্লেষণ অনুসৰিও উপভাষাত সীমা নিৰ্দ্ধাৰন কৰিব পাৰি। প্ৰত্যেক উপভাষাৰ প্ৰাকৃতিৰ শুৰ ভিন ভিন পোৱা যায়। যেনে- মান্যৰ টো, জন, গৰাকীৰ ঠাইত কামৰূপী উপভাষত খোৰ, খেনি ব্যৱহাৰ হয়। যিবিলাক অঞ্চলত একেধৰনে ৰূপ সংযোগ কৰে তেনেবিলাক এক উপভাষা অন্তৰ্গত বুলি ধৰা হয় আৰু সিবিলাক অঞ্চলত ৰূপগত পাৰ্থক্য দেখা যায়, সেই অঞ্চলক কেন্দ্ৰ কৰিয়েই এডাল সীমা নিৰ্দ্ধাৰন ৰেখা অংকন কাৰ হয়।

৪। **বাক্য বিন্যাসগত ঃ**

বাক্য বিন্যাসগত অনুসৰিত উপভাষাৰ সীমা নিৰ্দ্ধাৰণ কৰিব পাৰি। সকলো ভাষাত উপভাষা বাক্যবিন্যাস পদ্ধতি একে নহ'বও পাৰে। যেনে মান্যত তুমি খোৱা- কামৰূপীত তুমি খ।

৫। **অৰ্থগত ঃ**

এটাভাষাৰ ভিন ভিন উপভাষা ক্ষেত্ৰ শব্দবিলাকৰ অৰ্থত ভিন ভিন। উপভাষাবোৰৰ অৰ্থবিশ্লেষণ যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাই। নামনি অসমৰ আপাটু, আপীটু আদি উজনি অসমত ঘৰত কাম কৰা ল'ৰা ছোৱালীৰ অৰ্থত ব্যৱহাৰ কৰে। উপভাষা অধ্যয়ন কৰিলে ভিন ভিন উপভাষা সমূহত ব্যৱহৃত একে

ৰূপৰ শব্দৰে ভিন ভিন অৰ্থ হ'ব পাৰে। এনে ধৰণৰ একে অৰ্থগত পাৰ্থক্যৰ ভিত্তিত অৰ্থগত উপভাষা সীমা নিৰ্দ্ধাৰক ৰেখা অংকন কৰা হয়।

বৃহত্তৰ অঞ্চলত প্ৰচলিত উপভাষাবোৰৰ শব্দ ধ্বনি, ৰূপ আদিৰ বৈশিষ্ট্য অনুসৰি এখন মানচিত্ৰত কিছুমান ৰেখা অংকন কৰা হয়। এই ৰেখা বিলাক অংকন কৰাৰ পাচত যি অঞ্চলৰ মাজেৰে বহুতো ৰেখা অংকন কৰা হ'ব, সেই অঞ্চলকে ভাষাৰ আঞ্চলিক ৰূপৰ সীমাৰেখা বুলি ধৰা হয়। ভাষাৰ উপভাষা আৰু স্থানীয় উপভাষা বিলাকৰ সীমাৰেখা এনেদৰেই নিৰ্দ্ধাৰিণ কৰা হয়।

## ১.০৫ অধ্যয়নৰ পদ্ধতি

উপভাষা অধ্যয়ন কৰিবলৈ হ'লে কেইবাটাও বিষয়ৰ প্ৰতি মনোযোগ দিব লাগিব। উপভাষা অধ্যয়নৰ পদ্ধতি বিভিন্ন ধৰণৰ। যেনে -তথ্য সংগ্ৰহ, সূচক বা সামগ্ৰীদাতাৰ বাছনি, তথ্য সংগ্ৰহ পদ্ধতি আৰু তথ্য বিশ্লেষণ। এই পদ্ধতি কেইটাৰে আগবাঢ়িলেহে উপভাষা এটা অধ্যয়ন কৰিব পৰা যায়।

প্ৰথমতে যদি তথ্য সংগ্ৰহৰ কথা কোৱা হয় তেনেহ'লে ক'ব লাগিব যে গবেষকজনে নিজে উপভাষা কোৱা অঞ্চললৈ গৈ তথ্য সংগ্ৰহ কৰিব লাগিব। গবেষকজন ভাল স্মৃতি শক্তি সম্পন্ন শ্ৰৱন শক্তিৰ প্ৰখৰতা, লিখনৰ গতিবেগৰ অধিকাৰী হ'ব লাগিব। গবেষকজন ধৈৰ্য, সাহস, সহনশীলতা আৰু মিতব্যয়িতা গুণৰ অধিকাৰী হৈ তথ্য সংগ্ৰহ কৰিব লাগিব। ভাষা অধ্যয়নৰ ক্ষেত্ৰত দুটা পদ্ধতি অৱলম্বন কৰিব পাৰি। এটা হৈছে প্ৰত্যক্ষ পদ্ধতি আৰু আনটো পৰোক্ষ পদ্ধতি। সংখ্যা গৰিষ্ঠ অঞ্চলৰ উপভাষা অধ্যয়ন কৰোতে প্ৰত্যক্ষ পদ্ধতিতকৈ পৰোক্ষ পদ্ধতিৰ বেছি সুবিধা আছে। পৃথিৱীৰ বহু উপভাষা পৰোক্ষ পদ্ধতিৰ দ্বাৰাই কৰা হৈছে।

দ্বিতীয়তে আমি ক'ব পাৰো সূচকৰ কথা। উপভাষা এটা অধ্যয়ন কৰিবলৈ হ'লে গবেষকজনে পোনপটীয়াকৈ সেই ভাষা কোৱা লোকৰ লগত যোগাযোগ কৰিব লাগে। সূচক বাটেৰে গবেষকজনে কেইটামান কথা মনত ৰাখিব লাগিব। সূচকজন সেই ভাষাটোত ওপৰত দখল থকা ভাল। সূচক পুৰুষ মহিলা উভয়ে হ'ব পাৰে। সূচক জন সুস্বাস্থ্যৰ গৰাকী হোৱা উচিত। সূচক কেইবাজনো হ'ব পাৰে আৰু তেওঁলোকৰ বয়সৰ ভিন্নতা হ'লে ভাল। উপভাষা সংৰক্ষণত পুৰুষতকৈ মহিলা· সকলৰহে বেছি ভূমিকা আছে।

তৃতীয়তে গবেষকজনে তথ্য সংগ্ৰহ কৰোতে প্ৰত্যক্ষ আৰু পৰোক্ষ পদ্ধতিৰে তথ্য সংগ্ৰহ কৰিব পাৰে। ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা তথ্য সংগ্ৰহত সহায়ক হয়। ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যাওঁতে কিছু প্ৰশ্ন যুগুত কৰিব ল'ব লাগে।

চতুৰ্থতে তথ্য বিশ্লেষণৰ দ্বাৰা উপভাষা অধ্যয়ন কৰিব পাৰি। গৱেষকজনে গৱেষনাৰ বাবে তথ্যপাতি লিপ্যন্তৰ, টাইপ ৰাইটাৰ, টেপ ৰেকৰ্ডাৰ জৰিয়তে সংগ্ৰহ কৰি অনাৰ পাছত এই তথ্যখিনি বিশ্লেষণ কৰি উপভাষাটোৰ গঠন প্ৰণালীৰ সম্ভেদ দিব লাগিব। বিশেষকৈ উপভাষাৰ সামগ্ৰী ধ্বনি, ৰূপ বাক্য আৰু অৰ্থ এইকেইটা দিশৰ ওপৰত বিচাৰ বিশ্লেষণ কৰি উপভাষাৰ প্ৰধান বৈশিষ্ট্য সমূহ নিৰ্দ্ধাৰণ কৰা হয়।

এনেদৰে উপভাষা এটাৰ অধ্যয়ন কৰিব পাৰি। বিভিন্ন দিশেৰে বিভিন্ন পদ্ধতিৰে কোনো এটা অঞ্চলৰ উপভ্ৰষা অধ্যয়নৰ জৰিয়তে মান্য ভাষাৰ বিশ্লেষণত যথেষ্টখিনি সুবিধা হয়। মৰিগাওঁ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ঙৰ উপভাষা অধ্যয়নতো এই পদ্ধতিখিনিকে অৱলম্বন হিচাবে লৈ এই কামত আগবাঢ়িবলৈ চেষ্টা কৰিছো।

এনেদৰে উপভাষা এটাৰ অধ্যয়ন কৰিব পাৰি। বিভিন্ন দিশেৰে বিভিন্ন পদ্ধতিৰে কোনো এটা অঞ্চলৰ উপভাষা অধ্যয়নৰ জৰিয়তে মান্য ভাষাৰ বিশ্লেষণত

যথেষ্টখিনি সুবিধা হয়। মৰিগাওঁ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ঙৰ উপভাষা অধ্যয়নতো এই পদ্ধতিখিনিকে অৱলম্বন হিচাপে লৈ এই কামত আগবাঢ়িবলৈ চেষ্টা কৰিছো।

## ১.০৬ অৰ্থবিজ্ঞানৰ পদ্ধতি

ভাষা অধ্যয়ন কৰিবলৈ হ'লে কেইবাটাও বিষয়ৰ প্ৰতি মনোযোগ দিব লাগিব। উপভাষা অধ্যয়নৰ পদ্ধতি বিভিন্ন ধৰণৰ। যেনে-তথ্য সংগ্ৰহ, সূচক বা সামগ্ৰীকতাৰ বাছনি তথ্য সংগ্ৰহ, সূচক বা সামগ্ৰীকতাৰ বাছনি, তথ্য সংগ্ৰহ পদ্ধতি আৰু তথ্য বিশ্লেষণ। এই পদ্ধতি কেইটাৰে আগবাঢ়িলেহে উপভাষা এটাৰ অধ্যয়ন কৰিব পৰা যায়।

প্ৰথমতে যদি তথ্য সংগ্ৰহৰ কথা কোৱা হয় তেনেহ'লে ক'ব লাগিব যে গৱেষকজনে নিজে উপভাষা কোৱা অঞ্চললৈ গৈ তথ্য সংগ্ৰহ কৰিব লাগিব। গৱেষকজন ভাল স্মৃতি শক্তি সম্পন্ন শ্ৰৱন শক্তিৰ প্ৰখৰতা, লিখনৰ গতিবেগৰ অধিকাৰী হ'ব লাগিব। গৱেষকজনক ধৈৰ্য্য সাহস, সহনশীল আৰু মিতব্যয়িতা গুনৰ অধিকাৰী হৈ তথ্য সংগ্ৰহ কৰিব লাগিব। ভাষা অধ্যয়নৰ ক্ষেত্ৰত দুটা পদ্ধতি অৱলম্বন কৰিব পাৰি। এটা হৈছে প্ৰত্যক্ষ পদ্ধতি আৰু আনটো হৈছে পৰোক্ষ পদ্ধতি। সংখ্যা গৰিষ্ঠ অঞ্চলৰ উপভাষা অধ্যয়ন কৰোতে প্ৰত্যক্ষ পদ্ধতিতকৈ পৰোক্ষ পদ্ধতিৰ বেছি সুবিধা আছে। পৃথিৱীৰ বহু উপভাষা পৰোক্ষ পদ্ধতিৰ দ্বাৰাই কৰা হৈছে।"২৬

দ্বিতীয়তে আমি ক'ব পাৰে সূচকৰ কথা। উপভাষা এটা অধ্যয়ন কৰিবলৈ হ'লে গৱেষকজনে পোনপটীয়াকৈ সেই ভাষা কোৱা লোকৰ যোগাযোগ কৰিব লাগে। সূচক বাচোতে গৱেষকজনে কেইটামান কথা মনত ৰাখিব লাগিব। সূচক জন সেই ভাষাটোৰ ওপৰত দখল থকা ভাল সূচক জন সু-স্বাস্থ্যৰ গৰাকৰ হোৱা উচিত। সূচক

কেইবাজনো হ'ব পাৰে আৰু তেওঁলোকৰ বয়সৰ ভিন্নতা হ'লে ভাল। উপভাষা সংৰক্ষণত পুৰুষতকৈ মহিলা সকলৰহে বেছি ভূমিকা আছে।

তৃতীয়তে গৱেষক সকলে তথ্য সংগ্ৰহ কৰোতে প্ৰত্যক্ষ আৰু পৰোক্ষ পদ্ধতিৰে তথ্য সংগ্ৰহ কৰিব পাৰে। ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা তথ্য সংগ্ৰহৰ সহায়ক হয়। ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যাওঁতে কিছু প্ৰশ্ন যুগুত কৰি ল'ব লাগে।

চতুৰ্থতে তথ্য বিশ্লেষনৰ দ্বাৰা উপভাষা অধ্যয়ন কৰিব পাৰি। গৱেষনাৰ বাবে তথ্য পাতি লিপ্যন্তৰ, টাইপ ৰাইটাৰ, টেপ ৰেকৰ্ডাৰ জৰিয়তে সংগ্ৰহ কৰি আনৰ পাছত এই তথ্যখিনি বিশ্লেষণ কৰি উপভাষাটোৰ গঠন প্ৰণালীৰ সম্ভেদ দিব লাগিব। বিশেষকৈ উপভাষাৰ সামগ্ৰী ধ্বনি, ৰূপ, বাক্য আৰু এই কেইটা দিশৰ ওপৰত বিচাৰ বিশ্লেষন কৰি উপভাষাৰ প্ৰধান বৈশিষ্ট্যসমূহ নিৰ্দ্ধাৰণ কৰা হয়।